بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡم   نَحۡمَدُہٗ وَنُصَلِّی عَلٰی رَسُوۡلِہِ الۡکَرِیۡم   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ৩১ মাৰ্চত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আমি সদায় আঁহজৰত (ছাঃ) ৰ এই উপদেশ নিজৰ সন্মুখত ৰখা উচিত যে ; যি নিজৰ বাবে পছন্দ কৰা সেয়া নিজৰ ভায়েকৰ বাবেও পছন্দ কৰিবা। যদি নিজৰ বাবে কোনো গোপনীয়তা পছন্দ কৰা তেন্তে বেলেগৰ বাবেও সেয়া উপলব্দি কৰা উচিত। এয়াই হ'ল সেই সোনালী নীতি যি সমাজৰ শান্তি নিৰাপত্তাৰ বাবে অতি প্ৰয়োজন।
কথা প্ৰিয়তা আৰু সাময়িক আনন্দৰ পৰিবেশ সৃষ্টিৰ বাবে বেলেগৰ বেয়া ৰটনা বা ব্যাখ্যা কৰা ডাঙৰ গোনাহ। ফলত ইয়াৰ পৰা প্ৰত্যেক আহমদীয়ে আঁতৰি থকা উচিত।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; পৃথিৱীত এনে কোনো মানুহ হ'বলা নাই যে সকলো ক্ষেত্ৰতে ত্ৰুটি মুক্ত বা পৱিত্ৰ। আল্লাহ তায়লা তাৰ ছাত্তাৰ গুনাৱলীৰ দ্বাৰা আমালোকৰ বেয়া সমুহ ঢাকি (গোপনে) ৰাখে। যদি মানুহৰ ভূল, অলসতা, গোনাহ আদিৰ গোপনীয়তা দুৰ হৈ যায় তেন্তে কোনেও মুখ দেখুৱাৰ যোগ্যতা নাথাকিব। আল্লাহ তায়লা যি জনা গোপনীয়তা ৰক্ষাকাৰী আৰু গোনাহৰ ক্ষমা প্ৰদান কাৰী তেওঁ আমালোকৰ ওপৰত দয়া বৰ্ষণ কৰি আমালোকক তওবাৰ দোৱা শিকাইছে যে তোমালোকে য'ত ভূল, অলসতা, আদিৰ পৰা নিজকে বচাঁবলৈ চেষ্টা কৰা তাত ইস্তেগফাৰ কৰিবা, তেতিয়া মই তোমালোকৰ গোনাহ ক্ষমা কৰি দিম, তোমালোকৰ গোপনীয়তা ৰক্ষা কৰিম। তোমালোকৰ দোৱা কবুল কৰিম। সাধাৰণতে বহুত বিষয়ত আল্লাহ তায়লা মানুহৰ গোপনীয় ত্ৰুটি গোপন কৰি ৰাখে। আল্লাহ তায়লাৰ ক্ষমাৰ চাদৰেৰে সেই সকল লোকৰ দোষবোৰ ঢাকি ৰাখে যি সকলে ইস্তেগফাৰ কৰে। গাফাৰ শব্দৰ অৰ্থ লুকুৱাই ৰখা আৰু ঢাকি ৰখাও হয়। ছাত্তাৰ শব্দৰ অৰ্থও প্ৰায় একেই বুজায়। হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত উল্লেখ কৰিছে যে; ইছলামে যি জনা খোদাৰ কথা কয় আৰু মুছলমান সকলে যি জনা খোদাক মান্য কৰে, সেই জনা ৰহিম, (পৰম কৰুণাময়) কৰিম, (সন্মানীয়) হালিম (সৰ্ববজ্ঞ) তাওয়াব (কৃপাদৃষ্টি ৰাখোতা) আৰু গাফাৰ (ক্ষমাশীল)। যিজনে প্ৰকৃত তওবা কৰে, আল্লাহ তাৰ তওবা গৃহীত কৰে আৰু তাৰ গোনাহ ক্ষমা কৰি দিয়ে কিন্তু জগতবাসী সকলে যদিও কোনোবা এজনৰ গোনাহ ক্ষমা কৰে তথাপি তাক হেয় দৃষ্টিৰে চায়। কিন্তু আল্লাহ তায়লা এনেকুৱা মহৎ যে মানুহে অসংখ্য দোষ কৰি তাঁলৈ অনুতাপেৰে প্ৰত্যাবৰ্তন কৰি সেয়া ক্ষমা কৰি দিয়ে। উল্লেখ কৰিছে যে পৃথিৱীত কোনো মানুহেই এনেকুৱা নহয় যে যিজনে খোদা তায়লাৰ দৰে দয়াবান একমাত্ৰ নবী সকলৰ বাহিৰে। খোদা তায়লাৰ বাদে একমাত্ৰ নবী সকলেই আছে দয়াবান। ইয়াৰ বাহিৰে আন কোনেও নাই।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; খোদা তায়লাক ছাত্তাৰ গুনাৱলী এনেকুৱা যে সি মানুহৰ গোনাহ, দোষবোৰ দেখি থাকে কিন্তু তাৰ এই গুনৰ বাবে দোষীৰ দোষ সেই সময়লৈকে ঢাকি ৰাখে যেতিয়ালৈকে তাৰ সীমা চেৰাই নেযায়। কিন্তু মানুহে কোনোবা জনৰ ভূল এটা নেদেখোতেই কোলাহলৰ সৃষ্টি কৰে। তেখেত (আঃ) কৈছে যে; আল্লাহ তায়লা যদি ইয়াৰ কৈফিয়ত বিচাৰে তেন্তে সকলোয়ে ধংস হ'ব। কিন্তু তাৰ স্নেহ-দয়া উচ্চ মান বিশিষ্ট আৰু তাৰ ক্ৰোধ নমনীয়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যদি আমি এই কথাবোৰ বুজি পাওঁ আৰু নিজৰ লগৰীয়া, ভাই আৰু

সম্পৰ্কীয় সকলৰ বিষয়ে জগৰ নলগাওঁ, দোষ বিচাৰি নুফুৰো তেন্তে এটা প্ৰেমময় শান্তি পূৰ্ণ সমাজ প্ৰতিষ্ঠা হ'ব। আমাৰ মাজত বহুতেই এনেকুৱা আছে যি সকলে গোপনীয়তা ৰক্ষাৰ সলনি দোষ প্ৰচাৰ কৰিবলৈ চেষ্টা কৰে। কিন্তু যেতিয়া সেই লোক সকলৰ বিষয়ে কোনো কথা হয় আৰু কেনেবাকৈ তেওঁ যদি গম পায় যে অমুকাই মোৰ বিষয়ে এয়া কৈছে তেন্তে ক্ৰোধান্বিত হৈ পৰে। খঙত অগ্নিশৰ্মা হৈ মাৰিব, মৰিব বিচাৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; গতিকে এজনৰ দোষ দেখিলে সেয়া প্ৰচাৰ কৰাৰ সলনি প্ৰত্যেকেই ইস্তেগফাৰ কৰা উচিত। আল্লাহ তায়লা স্বনীৰ্ভৰশীল আৰু আমি ভয় কৰা উচিত যে আমাৰ মাজতো বহুত দুৰ্বলতা ৰৈ আছে সেয়াও কিজানি প্ৰকাশ পাই যাব পাৰে। যদি পৰিত্ৰ নিয়তৰ সৈতে মানুহে মানুহৰ দোষ ত্ৰুটি ঢাকি ৰাখে তেন্তে খোদা তায়লাৰ কৰুণা অৰ্জন কৰিব পাৰে। হজৰত মছিহ মাওউদ (আঃ) ৰ এই কথাখিনি সদায় মনত ৰখা উচিত যে যদি খোদা তায়লা কৈফিয়ত বিচাৰে তেন্তে সকোলোৱে ধংস হ'ব। গতিকে বৰ ভয়ৰ কাৰণ আছে, সকলো সময়তেই ইস্তেগফাৰ কৰাৰ প্ৰতি মনযোগ দিয়াৰ প্ৰয়োজন আছে। আঁহজৰত (ছাঃ) য়ে কৈছে; যিজনে নিজৰ মুছলমান ভায়েকৰ কোনো দোষ ঢাকি ৰাখে আল্লাহ তায়লা কিয়ামতৰ দিনা তাৰ দোষ ঢাকি ৰাখিব, লুকুৱাই তাৰ ছাত্তাৰ গুন প্ৰকাশ কৰিব আৰু যিজনে নিজৰ মুছলমান ভায়েকৰ দোষ উদঙাই দিব, বেয়াটো প্ৰচাৰ কৰিব, লোকলৈ কব আল্লাহ তায়লা তাৰ দোষ, লাজ অপমান এনেদৰে প্ৰকাশ কৰিব যে তাৰ ঘৰতেই তাৰ অপমানিত হ'ব লাগিব। গতিকে এয়া কঠোৰ আদেশ আৰু ভয়ৰ কাৰণ। আল্লাহ তায়লাৰ কৃপা লাভ কৰিবলৈ সদায় আনৰ দোষ দেখাৰ সলনি নিজৰ ওপৰত দৃষ্টি ৰখা উচিত। মানুহে কয় যে যদি আমি কোনোবাজনৰ দোষ প্ৰকাশ নকৰো তেন্তে সংশোধন কেনেকৈ হ'ব। মনত ৰাখিব যদি কোনো এজনৰ দোষে নিজামে জমাতৰ লোকচান হোৱাৰ কাৰণ হোৱাৰ ৰূপ লৈ আছে নাইবা সমাজৰ এটা গ্ৰোপক নিজৰ আত্ততাত লৈ বেয়া কৰি আছে তেন্তে সংশোধনৰ বাবে নিযুক্তলোক আছে, আমিৰ আছে, সদৰ আছে, সিহঁতক জনাব লাগে। অথবা মোলৈ লিখিব লাগে যাতে সংশোধন হয়। কিন্তু কোনো জনৰ বেয়া দোষ এটা পাই সেয়া লোকলৈ প্ৰচাৰ কৰা নিষেধ। কাৰণ তাৰ পৰা বেয়াৰ শেষ নহয় বৰং বাঢ়ি যাব। এই বিষয়ে আঁহজৰত (ছাঃ) য়ে কৈছে; যদি তুমি লোকৰ দুৰ্বলতাৰ পিছত লাগি থাকা তেন্তে সিহঁতক বেয়া কৰিব। দুৰ্বলতাৰ পিছত লাগি থকা মানে হ'ল সেয়া লোকলৈ প্ৰচাৰ কৰা, আৰু দুৰ্বলতা বিচাৰি ফুৰা। যদি এনেকুৱা কৰা হয় তেন্তে মানুহ বেয়াৰ ফালে ঢাল খাব আৰু সমাজৰ শান্তি বিনষ্ট কৰিব। আকৌ এনেদৰে প্ৰচাৰ কৰি ফুৰিলে, বেয়াৰ মাজত লিপ্ত থকা লোক সকলৰ মনত সংশোধনৰ সলনি জেদ উপজিব। ইয়াৰ ফলস্বৰূপে সিহঁতে বেলেগক নিজৰ নিচিনা বনোৱাৰ চেষ্টা কৰিব। এনেদৰে যেতিয়া গোপনীয়তাৰ আৱৰণ উঠি যায় তেতিয়া সেয়া সংশোধন কৰাৰ বিষটো শেষ হৈ যায়।

গতিকে ইয়াত মই জমাতৰ কামৰ দায়িত্বত থকা লোক সকলক কব বিচাৰো বিশেষক কৈ (ইচলাহ) সংশোধনৰ বিভাগ খুব সাবধানেৰে আৰু সহানুভূতিৰ সৈতে কোনো বিষয় এটা মীমাংসা কৰিব লাগিব। কেতিয়াও যেন কোনোবাই এয়া ভাৱিব নোৱাৰে যে অমুক পদাধিকাৰীৰ বাবে মই লজ্জিত হলো, মোৰ গোপনীয়তা ফাদিল হৈ পৰিল। যদি এনেকুৱা উপলব্দি কৰে তেন্তে সেয়া দুৰ কৰাটো বহুত কঠিন হৈ পৰে। এনে ধৰণৰ পদাধিকাৰী সকলক আল্লাহ তায়লা কৈফিয়ত বিচাৰিব যে; মই তোমাক জমাতৰ সেৱা কৰিবলৈ সুবিধা দিছিলো যাতে তুমি মোৰ ছাত্তাৰি গুন ধাৰণ কৰি লোৱা কিন্তু ইয়াতে তুমি তাৰ বিপৰীত বাটত গৈ অশান্তি আৰু কাজিয়া সৃষ্টিৰ কাৰক পৰিলা। আল্লাহ তায়লা তাৰ ছাত্তাৰি গুন কিমান ভাল পায় আৰু ছাত্তাৰি কৰা সকলক কিমান দান কৰে সেই সম্পৰ্কে আঁহজৰত (ছাঃ) য়ে কৈছে যে; এক মুছলমান, মুছলমান সকলৰ ভাই কোনেও কাৰো ওপৰত জুলুম নকৰে, তেওঁক অকলশৰীয়া এৰি নিদিয়ে। যিজনে নিজৰ ভায়েকৰ অভাৱ মোচনত মন দিয়ে বা মোচন কৰে আল্লাহ তাৰ অভাৱ দুৰ কৰি দিয়ে। যিজনে কোনো মুছলমানৰ কষ্ট দুৰ কৰে আল্লাহ তায়লা কিয়ামতৰ দিনা তাৰ বিপদ কম কৰি দিব। যি জনে কোনো মুছলমানৰ ছাত্তাৰি (গোপনীয়তা) ৰক্ষা কৰে আল্লাহ তায়লা কিয়ামতৰ দিনা তাৰ গোপনীয়তা ৰক্ষা কৰিব।

গতিকে সেই ৰহিম আৰু কৰিম খোদা তায়লাৰ ৰহমত আৰু কৰম কাভ কৰিবলৈ ছাত্তাৰি আৰু কাৰোবাৰ

সন্মান ৰক্ষা কৰাটো প্ৰয়োজনীয়। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; মানুহৰ ঈমানৰ উৎকৃষ্টতা এয়া যে আল্লাহ তায়লাৰ গুনাৱলী ধাৰণ কৰে অৰ্থাৎ কৃপাধাৰী যি চাৰিত্ৰিক বৈশিষ্ট খোদা তায়লাৰ মাজত আছে আৰু গুণাৱলী আছে, যিমানদুৰ সম্ভৱ সেয়া অনুসৰণ কৰে আৰু নিজকে নিজে খোদা তায়লাৰ ৰঙত ৰঙীন কৰিবলৈ চেষ্টা কৰে। উদাহৰণ স্বৰূপ খোদা তায়লাৰ মাজত দয়া আছে, মানুহেও দয়াকৰক। খোদা তায়লা ছাত্তাৰ, মানুহেও ছাত্তাৰি মৰ্যদাৰ ভাগ লোৱা উচিত। কোনোবা জনৰ কোনো দুৰ্বলতা দেখিলে তালৈ সহানুভূতি আগবঢ়োৱাৰ অৰ্থ হ'ল এয়া যে তাক সংশোধন কৰাৰ চেষ্টা কৰে যাতে সেই বেয়া আৰু দুৰ্বলতা সেই ব্যাক্তিজনৰ পৰা দুৰ হৈ যায়।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; উচিত যে কোনোবা জনৰ বেয়া দেখিলে তাক গোপনে নচিহত কৰে। মৌনতাৰে পৃথকে গৈ তাক নচিহত কৰিব লাগে। যদি সেয়া তেওঁ মানি নলয় তেন্তে দোৱা কৰিব লাগে। দোৱাৰ বৰ প্ৰভাৱ আছে। সেইজন ব্যক্তি লৈ বৰ আফছোচ যে এজনৰ কলঙ্ক শ,শ বাৰ বৰ্ণনা কৰি ফুৰে কিন্তু দোৱা এবাৰও নকৰে। কোনোবা জনৰ গোপনীয়তা তেতিয়া প্ৰকাশ কৰা উচিত যেতিয়া কমপক্ষে চল্লিছ দিন তাৰ বাবে কৰুণ মিনতিৰে দোৱা কৰে। আমালোকৰ উদ্দেশ্য এয়া নহয় যে, বেয়াক সহায় কৰো বৰং উদ্দেশ্য হ'ল তাৰ প্ৰচাৰ আৰু দুৰ্যশ ৰটনা নকৰো। বেয়া কিবা দেখিও প্ৰচাৰ নকৰো বা লোকক নকওঁ।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; সেই ছিলছিলা বৰ্তি থাকিব নোৱাৰে যেতিয়ালৈকে পাৰস্পৰিক ৰহম, দয়া ছাত্তাৰি, সহৃদয়তা আৰু দোৱাৰ স্থিতি নাথাকিব। তেখতে (আঃ) য়ে আমালোকক দেখুৱাব বিচাৰিছে যে আমি যেন পাৰস্পৰিক বাবে দয়াশীল হওঁ। এজনে আনজনৰ বাবে দোৱা কৰো। আন এঠাইত উল্লেখ কৰিছে যে আমাৰ জমাতৰ উচতি যে; কোনো ভাই এজনৰ দোষ এটা দেখিলে তাৰ বাবে দোৱা কৰে। যদি দোৱা নকৰি সেয়া প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে তেন্তে তেওঁ গোনাহ কৰে। এনেকুৱা কিনো বেয়া আছে যে সেয়া দুৰ নহয় ? সেই বাবে সদায় দোৱাৰ জৰিয়তে বেলেগ ভাই এজনৰ সহায় কৰা উচিত। যেতিয়া এনেদৰে আমি সহায় কৰিম, দোষ বিচাৰি উলিওৱাৰ সলনি এজনে আন জনৰ সংশোধনাৰ্থে দোৱা কৰিম তেতিয়াহে আমি প্ৰকৃত জমাত গঠিত কৰিব পাৰিম। যি জমাত হজৰত মছিহ মাওউদ (আঃ) য়ে বনাব বিচাৰিছে। আঁহজৰত (ছাঃ) ৰ আদেশ অনুযায়ী এজন প্ৰকৃত মুছলমানৰ অৱস্থা এনেকুৱা হোৱা উচিত আৰু এই অৱস্থাই আমালোকৰ ক্ষমা আৰু মুক্তি আৰু ছাত্তাৰি গুনৰ মাধ্যম স্বৰূপ হ'ব পাৰে।

আঁহজৰত (ছাঃ) য়ে আল্লাহ তায়লাৰ আশ্ৰয় লাভৰ বাবে আৰু তাৰ কৃপা লাভৰ বাবে দোৱা শিকাইছে, যিটো আমি কৰা উচিত । সেই দোৱা হল; হে আল্লাহ ! মই তোমাৰ পৰা পাৰ্থিৱ আৰু আখেৰাতৰ আশ্ৰয় প্ৰাৰ্থনা কৰো। মাওলা ! মই তোমাৰ পৰা দ্বীন আৰু দুনীয়া,মাল,আৰু ঘৰ-বাৰীত দয়া আৰু আশ্ৰয়ৰ প্ৰাৰ্থনা কাৰী । হে আল্লাহ মোৰ সকলো দুৰ্বলতা ঢাকি দিয়া আৰু মোক মোৰ সকলো ভয়ৰ পৰা নিৰাপত্তা দান কৰা। হে আল্লাহ ! মোৰ সন্মুখত, পিছত, সোওঁফালে, বাওঁফালে আৰু ওপৰ ফালৰ পৰা তুমি মোৰ ৰক্ষণা বেক্ষণ কৰা। আল্লাহ তায়লা আমালোকক তাৰ সন্তুষ্টি অৰ্জন কাৰী বনাওঁক। মই তোমাৰ মহত্বৰ আশ্ৰয় বিচাৰো যাতে তলৰ পৰা গোপনীয় কোনো বিপদৰ চিকাৰ নহওঁ ।

গতিকে যেতিয়া এই দোৱা আমি নিজৰ বাবে কৰিম তেতিযা বেলেগৰ বাবেও এনে দোৱা যেন কৰিব পাৰো। যেতিয়া এনেকুৱা অৱস্থাৰ সৃষ্টি হ'ব তেতিয়া আল্লাহ তায়লা নিশ্চয় দোৱা কবুল কৰিব। আল্লাহ তায়লা আমালোকক তাৰ কৃপা অৰ্জন কাৰী বনাওঁক।

খোতবা জুমাৰ শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে নমাজৰ পিছত জনাজা গায়েব পঢ়াৰ ঘোষণা কৰে। মকৰ্ৰম মালিক ছেলিম লতিফ চাহাব (এডভোকেট) সদৰ জমাত ননকানা পাকিস্থান ।এখেতৰ দেউতাকৰ নাম আছিল মালিক মহম্মদ স্বফি চাহাব। ৭০ বছৰ বয়সত ৩০ মাৰ্চ ২০১৭ চনত পূৱা ৯ বজাত আদালতলৈ যোৱাৰ সময়ত বাটত আহমদীয়তৰ বিৰুধী অচিনাক্ত দুৰ্বৃত্তই গুলীয়াই শ্বহীদ কৰি দিয়ে। **ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন**। হুযুৰ আনোৱাৰ (আইঃ) য়ে মৰহুমৰ পবিত্ৰ জীৱণ চৰিত বৰ্ণনা কৰে। আল্লাহ তায়লা শ্বহীদ সকলৰ মৰ্যদা উন্নীত কৰক। মৰহুমৰ ভৱিষ্যত প্ৰজন্মক

তাৰ আৰ্দশ অনুসৰি চলাৰ তৌফিক দান কৰক। নেকিৰ বাটত আগবঢ়াই দিয়ক। আহমদীয়তৰ বিৰুধী আৰু শত্ৰু সকলক অতি সোনকালে ধৃত হোৱাৰ ব্যাৱস্থা কৰি দিয়ক। (আমিন)

**********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 31 March 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890